# Telephone Conversation between PM and Prime Minister of Japan

April 10, 2020

# জাপানৰ প্ৰধানমন্ত্ৰীৰ সৈতে প্ৰধানমন্ত্ৰীৰ টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 10, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি জাপানৰ প্ৰধানমন্ত্ৰী মহামহিম শ্বিনজৌ আবিৰ সৈতে টেলিফোনযোগে এক বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই ক'ভিড-19 মাহামাৰীৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ স্বাস্থ্য আৰু অৰ্থনীতিৰ প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনা কৰে। এই সংকটৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত পৰস্পৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়েও আলোচনা কৰে।

সংকটৰ এই সময়ছোৱাত দুয়োখন দেশে পৰস্পৰৰ নাগৰিকৰ প্ৰতি প্ৰদৰ্শন কৰা সহানুভূতিমূলক সমৰ্থনত নেতা দুগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে আৰু ভৱিষ্যতেও এনেধৰণৰ সহযোগিতাৰ ক্ষেত্ৰত তেওঁলোকে সহমত প্ৰকাশ কৰে।

এই মহামাৰী প্ৰতিৰোধ কৰিবলৈ ভাৰত-জাপানৰ সহযোগিতাই এক উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে বুলি দুয়োগৰাকী নেতাই সহমত পোষণ কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 10, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.